NUMERALS OF THE SONOWAL KACHARI LANGUAGE

সোনোৱাল কছাৰী ৰাওৱানি গুন্‌তি লায়ঝাপ

সোনোৱাল কছাৰী ভাষাৰ সংখ্যা পুথি

(১-১০০)

(চ'চা-চিচি)

সোনোৱাল কছাৰী ৰাওমেল

Page - 1

NUMERALS OF THE SONOWAL KACHARI LANGUAGE

সোনোৱাল কছাৰী ৰাওৱানি গুনতি লায়ঝাপ

সোনোৱাল কছাৰী ভাষাৰ সংখ্যা পুথি

সমল সংগ্ৰহৰ ব্যৱস্থাপনা ঃ
সোনোৱাল কছাৰী ৰাও মেল ,
ৰূপাই চাইডিং, তিনিচুকীয়া ,অসম ,
পিন ঃ ৭৮৬১৫৩

Page-2

সোনোৱাল কছাৰী ৰাওৱানি গুন্‌তি লায়ঝাপ
NUMERALS OF THE SONOWAL KACHARI LANGUAGE
সোনোৱাল কছাৰী ভাষাৰ সংখ্যা পুথি

মূল সমল সংগ্ৰাহক ঃ শ্ৰী জগত চন্দ্ৰ হাজৰীকা, সোনোৱাল কছাৰী ৰাও মেল ।

পুথি প্ৰকাশৰ ব্যৱস্থাপক ঃ এন. আৰ. ট্ৰাষ্ট , বেতনী গাঁও, বৰহোলা, তিতাবৰ ।

প্ৰথম প্ৰকাশ ঃ জুন , ২০১৮,
দ্বিতীয় প্ৰকাশ ঃ জুন ,২০১৯ ।

সৰ্বস্বত্ব সংৰক্ষিত ঃ- গ্ৰন্থৰ সৰ্ববস্বত্ব সোনোৱাল কছাৰী ৰাও মেলৰ দ্বাৰা সংৰক্ষিত ।

বেটুপাট ঃ- সোনোৱাল কছাৰী ৰাও মেল ।

ডি. টি.পি আৰু মুদ্ৰণ ঃ পাপু কম্পিউটাৰ পইণ্ট (প্ৰেছ), ইকৰাণি, বৰহোলা, তিতাবৰ ।

সম্পাদনা সমিতি ঃ (১) মেলঅঝা শ্ৰী কমলাকান্ত শইকীয়া ।
(২)ঘাই মেলগিৰি শ্ৰী প্ৰসাদ সোনোৱাল ।

মেলচা / সদস্য ঃ- শ্ৰী শান্তনু দাস বৰহাজোৱাল ,
শ্ৰী বেনু বড়া ,
ডাঃ জিতেন বড়া ,
শ্ৰী জগত চন্দ্ৰ হাজৰীকা ,
শ্ৰী নিৰেন সোনোৱাল ,
শ্ৰী মোহন চন্দ্ৰ ফাটোৱালী ।

মূল্য ঃ- ৩০. ০০ টকা ।

আগকথা

বুৰঞ্জীখ্যাত সদিয়াল কছাৰীৰ উত্তৰ পুৰুষ সোনোৱাল কছাৰীসকল অসমীয়াভাষী । তথাপিতো,অসমীয়া ভাষাৰ লগতে তেওঁলোকে নিজস্ব প্ৰাচীন ভাষাৰ বহুতো শব্দ, খণ্ডবাক্য, কথন -ভঙ্গী ইত্যাদিৰে বিশিষ্ট এটা উপভাষা ব্যৱহাৰ কৰি আছে। তেওঁলোকৰ হুঁচৰি গীত, হাইদাং গীত, হুগ্ৰা, বহুৱা নাচ, খিন ভঙা, সৰগদেও পূজা, কুলাবুঢ়ী ইত্যাদি লোক-আচাৰ, লোক-সংস্কৃতি, উপৰিও বৈষ্ণৱ ঐতিহ্য-পৰম্পৰা গায়ন-বায়ন, নাম-কীৰ্ত্তন আদিতো নিজস্ব প্ৰাচীন ভাষাগত সুৰ -তাল-মান-লয়ৰ বৈশিষ্ট্য দেখা যায় ।

সোনোৱাল কছাৰীৰ চিৰ প্ৰৱাহমান সংস্কৃতিৰ অন্তঃস্ৰোত স্বৰূপ তেওঁলোকৰ নিজা প্ৰাচীন ভাষাও অলক্ষিত, অনাদৃত হৈ তাকৰীয়া কিছু লোকৰ মাজত প্ৰচলিত হৈ থাকিল । তেনে লোকৰ মাজৰে সৰু মাইথং গাৱঁৰ বাওলাৰী সঁচ (পৰিয়াল)ৰ দুজন জ্যেষ্ঠই যোৱা শতিকাৰ মাজভাগলৈকে প্ৰাচীন ভাষাত কথোপকথন কৰিছিল বুলি জনা যায় । শেহতীয়াভাৱে , বৰ-ডিৱাক গাঁৱৰ প্ৰয়াত নন্দীৰাম কছাৰী (লেধাৰী) দেৱে এই প্ৰাচীন ভাষাত কথা ক'ব পাৰিছিল । বৰ ডিৱাক গাঁৱৰে প্ৰয়াত পুলিয়া কছাৰী দেৱে মুগা পলুৰ লেখ অসমীয়া আখৰেৰে সোনোৱাল কছাৰী ভাষাৰ সংখ্যাৰে লিখি ৰাখিছিল। তেখেতৰ নাতি, বৰ-ডিৱাক খাতোৱা গাঁৱৰ ৰূপহী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক শ্ৰী জগত চন্দ্ৰ হাজৰীকাই প্ৰয়াত নন্দীৰাম কছাৰীদেৱৰ লগত সুদীৰ্ঘকাল ঘনিষ্ঠ যোগাযোগেৰে প্ৰাচীন সোনোৱাল কছাৰী ভাষাৰ বহুতো শব্দ, খণ্ডবাক্য ইত্যাদি সংগ্ৰহ কৰি লিখি ৰাখে । তেখেতে; ককাক প্ৰয়াত পুলীয়া কছাৰীদেৱে ব্যৱহাৰ কৰা সোনোৱাল কছাৰী ভাষাৰ সংখ্যাবিলাকো লিখি ৰাখে ।

শ্ৰী জগত চন্দ্ৰ হাজৰীকাই প্ৰয়াত নন্দীৰাম কছাৰী আৰু প্ৰয়াত পুলীয়া কছাৰীৰ পৰা পোৱা সমলেৰে সোনোৱাল কছাৰীৰ প্ৰাচীন ভাষাৰ উদ্ধাৰ আৰু অধ্যয়ন তথা গৱেষণাৰ দিশ মুকলি কৰে । শ্ৰী হাজৰীকাৰ উদ্যোগত ২০০৫ চনৰ ২৮ আগষ্ট তাৰিখত কাকপথাৰ হিন্দী হাইস্কুলত প্ৰয়াত গম্ভীৰ শইকীয়া (বাওলাৰী) বৰমেধিদেৱৰ সভাপতিত্বত অনুষ্ঠিত সভাত "সোনোৱাল কছাৰী ভাষা সমিতি" গঠন কৰা হয় । ২০১৭ চনৰ ২০ আগষ্টত বৰডিৱাকৰ ৰূপহী প্ৰাথমিক বিদ্যালয়ত শ্ৰী কমলা কান্ত শইকীয়া (কছিৰী) দেৱৰ সভাপতিত্বত অনুষ্ঠিত সভাত উক্ত সমিতি খন "সোনোৱাল কছাৰী ৰাও মেল" (সোনোৱাল কছাৰী ভাষা সভা) নামেৰে পুৰ্নগঠিত কৰা হয় ।

২০১৮ চনৰ ১১ মাৰ্চত ৰূপাই জনজাতি জিৰণি চ'ৰাত অনুষ্ঠিত সোনোৱাল কছাৰী ৰাও মেলৰ প্ৰথম অধিৱেশনত অন্যান্য বিষয়ৰ লগতে সোনোৱাল কছাৰী ভাষাৰ সংখ্যাবিলাকৰ এখনি আগতীয়া সংক্ষিপ্ত পুথি প্ৰণয়ন কৰি ২০১৮ চনৰ ১০ জুনত ৰূপাই জনজাতি জিৰণি চ'ৰাৰ প্ৰাঙ্গনস্থিত গজাই থানত আদিগুৰু জনাৰ সৱাহৰ উপলক্ষত প্ৰকাশৰ সিদ্ধান্ত কৰা হয় ।

"সোনোৱাল কছাৰী ৰাওৱানি গুনতি লায়ঝাপ" পুথিখনি উক্ত সিদ্ধান্ত মৰ্মে প্ৰস্তুত কৰা হৈছে। পুথিখনিত চ-চা (এক) ৰ পৰা চিচি (এশ) লৈকে মাত্ৰ সংখ্যাবিলাক আগবঢ়োৱা হৈছে । সময়ত সকলো বিলাক সংখ্যাৰে পুথিখনিৰ বৰ্দ্ধিত সংস্কৰণ প্ৰকাশৰ ব্যৱস্থা কৰা হ'ব । পুথিখনিত পৰিশিষ্ট স্বৰূপে দিন-মাহ-কাল, জোখ মাখ ইত্যাদিৰো কিছুমান শব্দ দিয়া হৈছে । এই ক্ষেত্ৰতো পিছলৈ বৰ্দ্ধিত তথ্য প্ৰকাশৰ আশা কৰা হৈছে । ভাষাটোৰ ইতিমধ্যে সংগৃহীত আৰু ভৱিষ্যতলৈ সংগ্ৰহ হোৱা শব্দাৱলী তথা শব্দকোষ সংকলন আৰু প্ৰকাশৰ আগজাননী স্বৰূপে এই ক্ষুদ্ৰ পুথিখনি সবিনয়ে আগবঢ়োৱা হৈছে ।

সগোষ্ঠীয় ডিমাচা, বড়ো / মেচে, দেউৰী (চুতীয়া), তিৱা, ৰাভা, গাৰো, তিপ্ৰা (কক্-বৰক), হাজং, মৰাণ ইত্যাদি ভাষাৰ, বিশেষকৈ সংখ্যা বিলাকৰ সোনোৱাল কছাৰীৰ প্ৰচীন ভাষাৰ লগত মিল অমিলৰ বিষয়ে গৱেষণাৰ থল আছে। কিন্তু, আনকেইটা ভাষাৰ দৰে সোনোৱাল কছাৰীৰ ভাষাৰো নিজা বৈশিষ্ট্য আছে। সংখ্যাবিলাকৰ ক্ষেত্ৰতে, চ-চা (এক) ৰ পৰা চি (দহ) লৈকে সংখ্যা বিলাকৰ ভিতৰত "বা" (পাঁচ) আৰু চি (দহ) ৰ বাহিৰে আন কেইটা সংখ্যাৰ আগত থকা "চ" তেনে এক বৈশিষ্ট্য । "বা" (পাঁচ) সংখ্যাৰ আগত "চ" সংযুক্ত নথকাৰ কাৰণ কছাৰীৰ আধ্যাত্মিক ভাৱনাৰ পৰম সত্তা / পুৰুষ বা-থৌ বা বাই-থ'ত নিহিত পঞ্চতত্ত্ব আৰু পঞ্চতত্ত্বজ্ঞৰ দৰ্শন; এই বিষয়ত চিন্তা আৰু অধ্যয়নৰ প্ৰয়োজন আছে ।

সোনোৱাল কছাৰী ভাষাৰ সংখ্যাবিলাকৰ শূন্য (zero/ nought) ৰ ব্যৱহাৰৰ তথ্যৰ বিচাৰ গৱেষক, চিন্তাবিদসকললৈ থোৱা হ'ল । কিন্তু সোনোৱাল কছাৰীয়ে শূন্য বা একো নথকা বুজাবলৈ ব্যৱহাৰ কৰা "ভম্" ("ব্যোম" ?) আৰু জগতৰ স্ৰষ্টা - দ্ৰষ্টা - লয়কৰ্ত্তা (দিন খায়, দিন দেখিছে, ৰাতি খায়, ৰাতি দেখিছে) অৰ্থ্যাৎ স্থান আৰু কালৰ সৃষ্টিকৰ্ত্তা - লয়কৰ্ত্তা পৰম ব্ৰহ্ম ৰাজা শ্ৰীং দেউতাই ফুৰা-চকা (বিচৰণ)কৰি থকা মহাশূন্য "অৱলাস" ৰ ভাৱনাত সংখ্যাৰ অতীত শূন্যই যেন অৱস্থান কৰি আছে । "আদি যুগৰ কছাৰী " সোনোৱাল কছাৰীয়ে হয়তো সেয়েহে শূন্যক সংখ্যাবিলাকৰ ভিতৰত ধৰা নাই ।

এইখিনি আগকথাৰে আমি "সোনোৱাল কছাৰী ৰাওৱানি গুনতি লায়ঝাপ" পুথিখনি সোনোৱাল কছাৰী তথা বৃহত্তৰ সমাজলৈ সবিনয়ে আগবঢ়াইছোঁ । পুথিখন প্ৰস্তুত কৰোতে বৈ যোৱা আসোঁৱাহবোৰ পৰৱৰ্তী সংস্কৰণত সংশোধন কৰা হ'ব ।

আমাৰ আশা, ৰাইজৰ সঁহাৰি আৰু সহযোগেৰে আমি সোনোৱাল কছাৰীৰ নিজা প্ৰাচীন ভাষা আৰু প্ৰাচীন ভাষাৰ চাপ থকা, প্ৰচলিত কথিত ভাষাৰ অনুসন্ধান, গৱেষণা আৰু অধ্যয়ন তথা ব্যৱহাৰৰ দিশত আগবাঢ়িব পাৰিম ।

সামৰণিত, আপোনালোকৰ বহুমূলীয়া পৰামৰ্শ আশা কৰিলোঁ ।

ৰূপাই
২৫ মে' ২০১৮

সেৱাৰে
সোনোৱাল কছাৰী ৰাও মেল

উছৰ্গা

সোনোৱাল কছাৰী ভাষাৰ স্মৰণীয় ব্যৱহাৰকাৰী
আৰু সোনোৱাল কছাৰী ভাষাৰ সমলৰ মূল
উৎস ব্যক্তি অয়লাসত থকা নন্দীৰাম কছাৰী
দৌতা আৰুপুলিয়া কছাৰী দৌতালৈ এই পুথি
শ্ৰদ্ধাৰে উছৰ্গা কৰা হ'ল।

সোনোৱাল কছাৰী ৰাও মেল।

সোনোৱাল কছাৰীৰ ভাষাত কথোপ-কথন কৰা শেষৰ ব্যক্তি দুগৰাকীৰ চমু পৰিচয় -

৺ নন্দীৰাম কছাৰী
পিতা - ৺ অভয় কছাৰী
জন্ম - ১৯০২ চন
গাঁও - শলখ গুৰি (লুখ্রং)
মৃত্যু - ২০০৭ চন বৰডিৰাক,
জিলা - তিনিচুকীয়া ।

আৰু

৺ পুলিয়া কছাৰী
পিতা - ৺ মনপু কছাৰী
জন্ম - ১৯০৪ চন
গাঁও - ৰজাবাৰী (দিহিং মুখ)
মৃত্যু - ১৯৯৮ চন, বৰডিৰাক,
জিলা - তিনিচুকীয়া ।

১ চ'চা 1 SOSA	১১ চি-চা 11 SI-SA
২ চ'নিং 2 SONING	১২ চি-নিং 12 SI-NING
৩ চ'থাম 3 SOTHAM	১৩ চি-থাম 13 SI-THAM
৪ চ'ব্রি 4 SOBRI	১৪ চি-ব্রি 14 SI-BRI
৫ বা 5 BA	১৫ চি-বা 15 SI-BA
৬ চ'দক 6 SODOK	১৬ চি-দক 16 SI-DOK
৭ চ'চিন 7 SOSIN	১৭ চি-চিন 17 SI-SIN
৮ চ'চান 8 SOSAN	১৮ চি-চান 18 SI-SAN
৯ চ'চুগু 9 SOSUGU	১৯ চি-চুগু 19 SI-SUGU
১০ চি 10 SI	২০ নিংচি 20 NING-SI

২১ নিংচি-চা 21 NINGSI-SA	৩১ থামচি-চা 31 THAMSI-SA
২২ নিংচি-নিং 22 NINGSI-NING	৩২ থামচি-নিং 32 THAMSI-NING
২৩ নিংচি-থাম 23 NINGSI-THAM	৩৩ থামচি-থাম 33 THAMSI-THAM
২৪ নিংচি-ব্রি 24 NINGSI-BRI	৩৪ থামচি-ব্রি 34 THAMSI-BRI
২৫ নিংচি-বা 25 NINGSI-BA	৩৫ থামচি-বা 35 THAMSI-BA
২৬ নিংচি-দক 26 NINGSI-DOK	৩৬ থামচি-দক 36 THAMSI-DOK
২৭ নিংচি-চিন 27 NINGSI-SIN	৩৭ থামচি-চিন 37 THAMSI-SIN
২৮ নিংচি-চান 28 NINGSI-SAN	৩৮ থামচি-চান 38 THAMSI-SAN
২৯ নিংচি-চুগু 29 NINGSI-SUGU	৩৯ থামচি-চুগু 39 THAMSI-SUGU
৩০ থাম-চি 30 THAM-SI	৪০ ব্রিচি 40 BRISI

3 (চথাম)

৪১ ব্রিচি-চা 41 BRISI-SA	৫১ বাচি-চা 51 BASI-SA
৪২ ব্রিচি-নিং 42 BRISI-NING	৫২ বাচি-নিং 52 BASI-NING
৪৩ ব্রিচি-থাম 43 BRISI-THAM	৫৩ বাচি-থাম 53 BASI-THAM
৪৪ ব্রিচি-ব্রি 44 BRISI-BRI	৫৪ বাচি-ব্রি 54 BASI-BRI
৪৫ ব্রিচি-বা 45 BRISI-BA	৫৫ বাচি-বা 55 BASI-BA
৪৬ ব্রিচি-দক 46 BRISI-DOK	৫৬ বাচি-দক 56 BASI-DOK
৪৭ ব্রিচি-চিন 47 BRISI-SIN	৫৭ বাচি-চিন 57 BASI-SIN
৪৮ ব্রিচি-চান 48 BRISI-SAN	৫৮ বাচি-চান 58 BASI-SAN
৪৯ ব্রিচি-চুগু 49 BRISI-SUGU	৫৯ বাচি-চুগু 59 BASI-SUGU
৫০ বাচি 50 BASI	৬০ দকচি 60 DOKSI

৬১ দক্‌চি-চা 61 DOKSI-SA	৭১ চিন্‌চি-চা 71 SINSI-SA
৬২ দক্‌চি-নিং 62 DOKSI-NING	৭২ চিন্‌চি-নিং 72 SINSI-NING
৬৩ দক্‌চি-থাম 63 DOKSI-THAM	৭৩ চিনচি্‌-থাম 73 SINSI-THAM
৬৪ দক্‌চি-ব্রি 64 DOKSI-BRI	৭৪ চিন্‌চি-ব্রি 74 SINSI-BRI
৬৫ দক্‌চি-বা 65 DOKSI-BA	৭৫ চিন্‌চি-বা 75 SINSI-BA
৬৬ দক্‌চি-দক্‌ 66 DOKSI-DOK	৭৬ চিন্‌চি-দক 76 SINSI-DOK
৬৭ দক্‌চি-চিন 67 DOKSI-SIN	৭৭ চিন্‌চি-চিন্‌ 77 SINSI-SIN
৬৮ দক্‌চি-চান 68 DOKSI-SAN	৭৮ চিন্‌চি-চান 78 SINSI-SAN
৬৯ দক্‌চি-চুগু 69 DOKSI-SUGU	৭৯ চিন্‌চি-চুগু 79 SINSI-SUGU
৭০ চিন্‌চি 70 SINSI	৮০ চান্‌চি 80 SANSI

৮১ চান্‌চি-চা 81 SANSI-SA	৯১ চুগুচি-চা 91 SUGUSI-SA
৮২ চান্‌চি-নিং 82 SANSI-NING	৯২ চুগুচি-নিং 92 SUGUSI-NING
৮৩ চান্‌চি-থাম 83 SANSI-THAM	৯৩ চুগুচি-থাম 93 SUGUSI-THAM
৮৪ চান্‌চি-ব্রি 84 SANSI-BRI	৯৪ চুগুচি-ব্রি 94 SUGUSI-BRI
৮৫ চান্‌চি-বা 85 SANSI-BA	৯৫ চুগুচি-বা 95 SUGUSI-BA
৮৬ চান্‌চি-দক 86 SANSI-DOK	৯৬ চুগুচি-দক 96 SUGUSI-DOK
৮৭ চান্‌চি-চিন 87 SANSI-SIN	৯৭ চুগুচি-চিন 97 SUGUSI-SIN
৮৮ চান্‌চি-চান 88 SANSI-SAN	৯৮ চুগুচি-চান 98 SUGUSI-SAN
৮৯ চান্‌চি-চুগু 89 SANSI-SUGU	৯৯ চুগুচি-চুগু 99 SUGUSI-SUGU
৯০ চুগুচি 90 SUGUSI	১০০ চিচি 100 SISI

দিনি/বাৰ/DAYS

হুংবাৰ (সোমবাৰ)= HUNG-BĀR (MONDAY)

মঙল বাৰ (মঙ্গল বাৰ)=MONGOL-BĀR(TUESDAY)

বুত বাৰ (বুধ বাৰ)=BUT-BĀR (WEDNESDAY)

বিছতি বাৰ (বৃহস্পতি বাৰ)=BISATI-BĀR (THURSDAY)

হুকু বাৰ (শুক্ৰ বাৰ)=HUKU-BĀR (FRIDAY)

হুনি বাৰ (শনি বাৰ)=HUNI-BĀR (SATURDAY)

দেও বাৰ (দেও বাৰ)=DEO-BĀR (SUNDAY)

দিনি (দিন) = DINI (DAY)

বাৰ (বাৰ) = BĀR (WEEKLY DAYS)

হপ্তা (সপ্তাহ) = HOPTA (WEEK)

মা (মাহ) = MĀH (MONTH)

বাৰ' (বছৰ) = BĀRO (YEAR)

বিলি / চমা (সময়) TIME

ফুংবিলি (ৰাতিপুৱা)= FUNG BILI (MORNING / DAWN)

মনা বিলি (সন্ধ্যা)=MONĀ BILI (EVENING / DUSK)

থিং বিলি (দুপৰীয়া)=THING BILI (MID-DAY)

হৰ্ (ৰাতি) = HOR (NIGHT)

হৰ্ গেজেৰ (মধ্য ৰাতি) = HOR GEJER (MID-NIGHT)

আগ বেলা (আগ বেলা) = ĀGBELĀ (FORE NOON)

উনি বেলা (পিছ বেলা) = UNIBELĀ (AFTER NOON)

দিনি (আজি) = DINI (TODAY)

আল্খন্কি (কালিলৈ / পৰহিলৈ) = ĀLKHONKI (TOMORROW / DAY AFTER TOMORROW)

মা (মাহ) MONTH

বহাক (ব'হাগ) = BOHĀK

জেথ (জেঠ) = JETH

আহাৰ্ (আহাৰ) =ĀHĀR

হাউন (শাওন) = HĀUN

ভাদ (ভাদ) = BHADO

আহিন (আহিন) = AHIN

কাতি (কাতি) = KATI

আঘন (আঘোন) = AGHON

পুঃ (পুহ) = PUH

মাক্ (মাঘ) = MĀK

ফাগুন (ফাগুন) = FĀGUN

চত (চ'ত) = SOT

বতৰ (ঋতু) SEASON

উদং কালি (মাঘ মাহৰ পৰা ব'হাগলৈকে)
UDONG KĀLI (For the month of Magh to Bohag)

খৰাং কালি (আহিন কাতিৰ পৰা পুহলৈকে)
KHORANG KĀLI (For the month of Ahin and Kati to the month of puh)

দি জালাং কালি (বাৰিষা কাল)
DI JĀLĀNG KĀLI (Rainy season)

সাধাৰণতে সোনোৱাল কছাৰী সকলে আদিম কালত বৰ্তমানৰ ছয় ঋতুৰ ভাগ কৰিব পৰা নাছিল । ধান দোৱা শেষ কৰি অৰ্থাৎ মাঘ মাহৰ পৰা ব'হাগ মাহৰ আগ বাৰিষা লৈকে উদং কালি বুলি কয় ।এই কেইমাহ তেওঁলোকে গৰু ম'হ মুকলিকৈ এৰি দিয়ে । ব'হাগৰ আগ বাৰিষাৰপৰা আহিনৰ পাছ বাৰিষালৈকে এই কেইমাহক বাৰিষা কালত ধৰে। সোনোৱাল কছাৰী সকলে বাৰিষা কালক দি জালাং কালি বোলে। এই সময় চোৱাত তেওঁলোকে দেহৰ ঘাম মাটিত পেলাই খেতিৰ কাম কৰে আৰু আহিনৰ পাছৰপৰা মাঘ বিহু আগলৈকে খৰাং কালি ধৰে। লাই, লফা, মূলা, যমুনা আদি খেতি কৰাৰ লগতে পথাৰৰ ধান কেইডালো খৰাং কালতেই চপাই লয় ।

গুন্‌তি মান
(সংখ্যাৰ মান) NUMBERS

চাইলা (SAILA) = প্ৰথম (FIRST)

নিংলা (NINGLA) = দ্বিতীয় (SECOND)

থামলা (THAMLA) = তৃতীয় (THIRD)

ব্ৰিলা (BRILA) = চতুৰ্থ (FORTH)

বা'লা (BA-LA) = পঞ্চম (FIFTH)

দক্‌লা (DOKLA) = ষষ্ঠ (SIXTH)

চিন্‌লা (SINLA) = সপ্তম (SEVENTH)

চান্‌লা (SANLA) = অষ্টম (EIGHTH)

চুগুলা (SUGULA) = নৱম (NINTH)

চি্‌লা (SILA) = দশম (TENTH)

লিষ্টু / লিন্দু / গিন্দু (LISTU / LINDU / GINDU) =
সৰ্ব্বশেষ (LAST ONE)

আগল বুং (AGOL BUNG)
ওপবিষ্ণি (ADDENDUM)

<u>খিলা / খন বুজাবলৈ "লাই" / "চিতাং" ব্যৱহাৰ কৰে ঃ-</u>

যেনে - লাই লাই কৈ পিঠা বা কণী পুৰিছে ।

লাইচা / চিতাংচা - (এখিলা , এখন)।
লাই নিং / চিতাং নিং - (দুখিলা , দুখন) ।
লাই থাম / চিতাং থাম - (তিনিখিলা, তিনিখন) ।

এনেকৈয়ে ক্ৰম অনুসাৰে আগবাঢ়িব ।

ডোখৰ, টুকুৰা ,চকল বুজাবলৈ "ডখ", "টুকুন", "চক্" আদি ব্যৱহাৰ কৰা হয় ।

যেনে - মঙ ডখ, কাঠ টুকুন, ওমিতা চক্ আদি ।
ডখচা / টুকুনচা / চক্ চা - এডোখৰ, এটুকুৰা, এচকল ।
ডখনিং/ টুকুননিং / চক্ নিং - দুডোখৰ, দুটুকুৰা, দুচকল , ক্ৰমে আগলৈ বাঢ়ি যাব ।

টুকুৰাকৈ কটা বাঁহ , কাঠ আদিত থৌ ব্যৱহাৰ কৰে । যেনে– বাঁহ থৌ ।

থৌচা – এটুকুৰা (এথৌ)
থৌনিং – দুটুকুৰা (দুথৌ)
থৌথাম – তিনিটুকুৰা (তিনিথৌ)...ইত্যাদি ।

"টা" বুজাবলৈ "থৰ" ব্যৱহাৰ কৰে যেনে -

থৰচা - এটা,
থৰ নিং- দুটা,
থৰ থাম - তিনিটা,
থৰ ব্ৰি – চাৰিটা ,
থৰ বা – পাঁচটা,
থৰ দক – ছয় টা,
থৰ চিন –সাতটা,
থৰ চান – আঠটা,
থৰ চুগু – নটা,
থৰ চি – দহটা ।

জখ (পৰিমাণ) MEASURE

অলপমান বুজাবলৈ "উচুমিন্", "ইফিমান" ব্যৱহাৰ কৰে । সৰু বুজাবলৈয়ো উচুমান শব্দটো ব্যৱহাৰ কৰে ।

যেনে-

খাজি উচু লা – ভাজি অলপ দিয়া ।
উচুমান দাও – সৰু চৰাই ।
চেম ইফি – নিমখ অলপ ।

বহুত, ভালেমান, ভালেখিনি বুজাবলৈ "ইদুম", "এজাবাং" ব্যৱহাৰ কৰে ।

যেনে -

ইদুম না – বহুত মাছ ।
এজাবাং হাল্ধি – ভালেখিনি হালধি ।

কঠিয়াৰ হিচাপ

তিনি মুঠি = এহেতা ,
বাৰ হেতা = ১ ফেৰা ,
ছয় ফেৰা = এটা ।

ধানৰ হিচাপ

ছয় মুঠি = এথৰ ,
চাৰিৰ পৰা ছয় থৰত = এডাঙী / ডাঙৰী ,
দুডাঙীত = এভাৰ ।

একেজোপা গছত থোপাখাই লাগি থকা ফল-মূলৰ ক্ষেত্ৰত “থক্” ব্যৱহাৰ কৰা হয় ।

যেনে - কল থক্, তামোল থক্, হেলচ থক্ ইত্যাদি ।